# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হিচাপে আজি পাৰ্থ সাৰথি মহন্তই আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰে। শীৰ্ষ আৰক্ষী বিষয়া মহন্তই নতুন দায়িত্ব গ্ৰহণ কৰি গুৱাহাটীবাসীৰ বাবে এটা নতুন হেল্পলাইন নম্বৰ মুকলি কৰে। ওজৰ আপত্তি তথা সমস্যাৰ বিষয়ে জনোৱাৰ বাবে ৬০২৬৯-০০৬৫১ ৱাটছআপ নম্বৰ মুকলি কৰাৰ বিষয়ে তেওঁ জানিবলৈ দিয়ে।এই ৱাটছআপ নম্বৰ ২৪ ঘণ্টাই সক্ৰিয় হৈ থাকিব বুলি তেওঁ মন্তব্য কৰে। মহানগৰৰ নতুন আৰক্ষী আয়ুক্তগৰাকীয়ে কয় যে আইনৰ গণ্ডীত থাকি চৰকাৰৰ মতে সকলো কাম কৰি যাবলৈ তেওঁ চেষ্টা কৰিব। মহানগৰীত অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰভাৱে কাম কৰি যাব বুলি তেওঁ প্ৰকাশ কৰে। আৰক্ষী আয়ুক্তগৰাকীয়ে পুনৰ কয় যে জনসাধাৰণৰ পূৰ্ণ সহায় সহযোগিতা অবিহনে আৰক্ষীয়ে কোনো কাম কৰিব নোৱাৰে। সেয়ে জনসাধাৰণৰ সমৰ্থনত আৰক্ষীয়ে অপৰাধ নিয়ন্ত্ৰণৰ বাবে কাম কৰি যাব বুলি তেওঁ প্ৰকাশ কৰে। আৰক্ষী আয়ুক্তগৰাকীয়ে মহানগৰীত চেইন, মোবাইল কাঢ়ি নিয়া, বাহন চুৰিৰ ঘটনা ৰোধ কৰাৰ বাবে গুৰুত্ব আৰোপ কৰিব বুলিও মন্তব্য কৰে। উল্লেখযোগ্য যে মহানগৰ আৰক্ষী আয়ুক্তৰ দায়িত্ব গ্ৰহণ কৰিলেও তেওঁ অতিৰিক্তভাৱে স্পেচিয়েল টাস্ক ফ'ৰ্চৰ মুৰববী হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

ooooooo

গুৱাহাটীৰ খাৰঘূলি অঞ্চলত সংঘটিত পানী যোগান পাইপ বিস্ফোৰণত ক্ষতিগ্ৰস্ত ২৩টা পৰিয়ালক আজি জল বৰ্ডৰ তৰফৰ পৰা ক্ষতিপূৰণ প্ৰদান কৰা হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সামাজিক মাধ্যম যোগে জনোৱা অনুসৰি আংশিকভাৱে ক্ষতিগ্ৰস্ত ২৩টা পৰিয়ালক ১১লাখ ৯৬ হাজাৰ ৫০০ টকাৰ ক্ষতিপূৰণ দিয়া হয়। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই এটা প্ৰতিনিধি দলৰ সৈতে গৈ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চেক প্ৰদান কৰে।

ooooooo

জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, শোণিতপুৰ আৰু এডুপুৰ ছ'চাইটি, তেজপুৰৰ যৌথ উদ্যোগত দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে তেজপুৰত আজি বাটৰ নাট অভিযানৰ উদ্বোধন কৰা হয়। তেজপুৰ কৰ্ট চাৰিআলিত অনুষ্ঠিত এই অনুষ্ঠানটো তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথিৰাজ ৰাভাই উদ্বোধন কৰে। অনুষ্ঠানত জিলা আয়ুক্ত তথা ডি ডি এম এৰ অধ্যক্ষ, জিলা আৰক্ষী অধীক্ষক, শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, উপ জিলা আয়ুক্ত তথা ডি ডি এম এৰ মুখ্য কাৰ্যবাহী বিষয়া আদিৰ লগতে বিখ্যাত অভিনেতা অৰুণ নাথ আৰু অভিনেত্ৰী কৃষ্ণা দাস নাথো উপস্থিত থাকে। অনুষ্ঠানত বাটৰ নাট প্ৰদৰ্শনৰ লগতে নাট্যদলৰ যাত্ৰা অনুষ্ঠানৰ সূচনা কৰা হয়। এই অভিযান কালত জিলাখনৰ ৫খন ৰাজহ চক্ৰত মুঠ ৫০খন নাট

প্ৰদৰ্শন কৰা হ'ব। জনসাধাৰণৰ মাজত প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী আৰু ৱজ্ৰপাতৰ সময়ত ল'বলগীয়া সাৱধানতাৰ সন্দৰ্ভত সজাগ কৰি তুলিবলৈ জনসাধাৰণৰ মাজত প্ৰচাৰ পত্ৰ আদিও বিতৰণ কৰা হয়।

০০০০০০০

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰত স্থাপন কৰা ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰৰ পৰা অনুষ্ঠান প্ৰচাৰ আৰম্ভ হৈছে। এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত এই ট্ৰান্সমিটাৰৰ পৰা প্ৰচাৰিত উন্নত মানৰ অনুষ্ঠান কোকৰাঝাৰৰ লগতে ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা আৰু চিৰাং জিলাৰ শ্ৰোতাসকলে শুনিবলৈ সমৰ্থ হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ এফ এম ট্ৰান্সমিটাৰ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। এই নতুন এফ এম ট্ৰান্সমিটাৰৰ সংযোজনে অঞ্চলটোৰ ৰাইজক কেনেদৰে উৎসাহিত কৰিছে সেই বিষয়ে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰিব।

শ্ৰোতাসকলে আমাৰ এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

বাক্সা জিলাৰ জালাহত আজি বি টি আৰৰ প্ৰধান প্ৰমোদ বড়োৱে অঞ্চলটোৰ অতি পুৰণি শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰৰ উন্নীতকৰণৰ বাবে বি টি চি পৰিষদৰ আৰ্থিক অনুদানেৰে মন্দিৰৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বি টি আৰৰ প্ৰধান প্ৰমোদ বড়োৱে কয় যে মছলপুৰ শালবাৰীৰ মধ্যস্থানত অৱস্থিত জালাহৰ উন্নতিৰ বাবে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। একেদৰে, জালাহত ৰাজহুৱা শ্মশান নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ লগতে জালাহ টাউনত নলা নিৰ্মাণ কৰি থকা হৈছে।

০০০০০০০

বিভিন্ন সা-সামগ্ৰী ক্ৰয় বিক্ৰয়ৰ বাবে শুদ্ধ আৰু বিজ্ঞান সন্মত পদ্ধতিৰ প্ৰতি লক্ষ্য ৰাখি যোৱা ২৮ ডিচেম্বৰৰ পৰা ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে দৰঙতো সৰ্বভাৰতীয় জোখ-মাপ বিশেষ প্ৰচাৰ সপ্তাহ অনুষ্ঠিত হৈছে। কালি সামৰণি পৰা এই প্ৰচাৰ সপ্তাহ উপলক্ষে দৰং জিলা বৈধ পৰিমাণ বিজ্ঞান বিভাগে জিলাখনৰ বিভিন্ন বজাৰত সজাগতা অভিযান চলায়। সজাগতা কাৰ্যসূচীসমূহত সামগ্ৰী বিক্ৰী কৰোঁতে ব্যৱসায়জনে ব্যৱহাৰ কৰা দগা তৰ্জু আদিত বিভাগীয় ছীল মোহৰ আছে নে নাই, বিভাগীয় বিষয়াসকলে পৰীক্ষা কৰে।

০০০০০০০

ধুবুৰীৰ নেতাই ধুবুনী উদ্যানত আজি যশস্বী সংগীত পৰিচালক ৰাহুল দেৱ বৰ্মনৰ মৃত্যু বাৰ্ষিকী দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। মৃত্যু বাৰ্ষিকী উপলক্ষে ধুবুৰী আৰ ডি বৰ্মন ফেন ক্লাবৰ সদস্যসকলে হিন্দী চলচ্চিত্ৰ জগতৰ পুৰোধা সংগীত পৰিচালকজনৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ লগতে স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০০০

**সমাপ্ত**